# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে আজি নতুন দিল্লীৰ সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। সংসদৰ উভয় সদনৰ কামকাজ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সকলো দলৰ সহযোগিতা কামনা কৰি চৰকাৰে এই বৈঠকৰ আহ্বান জনাইছিল। লোকসভা আৰু ৰাজ্যসভাত প্ৰতিনিধিত্ব কৰা বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা ৰাজ্যসভাত সদনৰ নেতা জগত প্ৰকাশ নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগানে বৈঠকত অংশ লয়। তদুপৰি কংগ্ৰেছৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ চি পিৰ সুপ্ৰিয়া চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু, আপৰ সঞ্জয় সিং আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ বৈঠকত উপস্থিত থাকে।

সংসদৰ বৰ্ষাকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব আৰু ২১ আগষ্টলৈ চলিব। অধিৱেশনত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে এই বৈঠক অতি গঠনমূলক আছিল আৰু সদনৰ নেতাসকলে বৰ্ষাকালীন অধিৱেশনত উত্থাপন কৰিব বিচৰা বিষয়সমূহ দাঙি ধৰে। চৰকাৰে বিৰোধী দলসমূহক সদনৰ কামকাজ নিয়াৰিকৈ চলাই নিয়াটো নিশ্চিত কৰিবলৈ অনুৰোধ জনায় বুলি শ্ৰী ৰিজিজুৱে উল্লেখ কৰে। চৰকাৰে সদনত অপাৰেচন সিন্দূৰৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰিবলৈ আগ্ৰহী বুলিও তেওঁ প্ৰকাশ কৰে।

ooooo

বিশিষ্ট সাহিত্যিক পূণ্য শইকীয়ালৈ ২০২৫ বৰ্ষৰ ড০ ময়িদুল ইছলাম বড়া সাহিত্য বঁটা আগবঢ়োৱা হৈছে। বৰ অসমৰ প্ৰথমগৰাকী ডক্টৰেট তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড০ ময়িদুল ইছলাম বড়াৰ স্মৃতিত প্ৰতি বছৰে এই বঁটা প্ৰদান কৰি অহা হৈছে। ড০ বৰাৰ ১২৬ সংখ্যক জন্ম বাৰ্ষিকীৰ সৈতে সংগতি ৰাখি শিৱসাগৰ প্ৰেছ ক্লাবত অহা ২২ ছেপ্তেম্বৰত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰা হ'ব বুলি শিৱসাগৰৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

ooooo

নিৰ্ভীক সাংবাদিক বুলন কুমাৰ শইকীয়া স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত সংকলিত বহিমিয়ান বুলন নামৰ স্মৃতিগ্ৰন্থখন আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। এই উপলক্ষে সাংবাদিকগৰাকীৰ নাহৰকটীয়াৰ দীঘলাপথাৰৰ বাসগৃহত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট সাংবাদিক মনোৰম গগৈয়ে গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীগগৈয়ে বুলন শইকীয়াৰ আত্মনিৰ্ভৰশীল

অৰ্থনীতিৰ সপোনৰ কথা উল্লেখ কৰে আৰু তেওঁৰ সকলো কৰ্ম তথা সৃষ্টিত এই চিন্তাধাৰাৰ প্ৰতিফলন ঘটিছিল বুলি মন্তব্য কৰে। টিংখং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা প্ৰাক্তন বিধায়ক অনুপ ফুকনৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষা প্ৰণতি ফুকন, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণ জ্যোতি গগৈ, ধৰ্মীয় গুৰু ধৰ্মপদ ভান্টে আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট বক্তাই বুলন কুমাৰ শইকীয়াৰ বহুমুখী প্ৰতিভাৰ বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰে।

০০০০০

সদৌ অসম কবি সন্মিলনৰ ভগ্নী সংগঠন কাব্যনন্দিনীৰ উদ্যোগত আজি মাজুলী মহাবিদ্যালয়ত এখন কবি সন্মিলন অনুষ্ঠিত হয়। মাজুলী জিলা কবি সন্মিলনৰ আতিথ্যত সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষত আয়োজিত এই অনুষ্ঠানতে মাজুলীৰ ছগৰাকী কবিক সম্বৰ্ধনা জনোৱা হয়। সভাৰ আৰম্ভণিতে কাব্যনন্দিনী আৰু জিলা কবি সন্মিলনৰ তৰফৰ পৰা বিশিষ্ট অতিথিসকলক অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা প্ৰদান কৰা হয়। অনুষ্ঠানত মাজুলীৰ বিশিষ্ট কবি তথা সাহিত্যিক অমিয়া দেৱী বৰঠাকুৰ, ইন্দুলেখা হাজৰিকা, লখিমী বৰুৱা, কৌশল্যা বায়ন, স্বৰ্ণ মুদৈ আৰু সুৰ শইকীয়া হাজৰিকাক অংগবস্ত্ৰ কিতাপৰ টোপোলা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়।

০০০০০

হোজাই জিলাৰ সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আজি দুৰ্যোগ ব্যৱস্থাপনা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসন, জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষ, হোজাই উন্নয়ন মঞ্চ আৰু উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সৌজন্যত অনুষ্ঠিত এই সজাগতা সভাত জিলাখনৰ কেইবাটাও বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু উদ্যোগৰ সৈতে জড়িত লোক উপস্থিত থাকে। সভাত বিশেষকৈ যিকোনো ঔদ্যোগিক প্ৰতিষ্ঠানত অগ্নিকাণ্ড সংঘটিত হ'লে সুৰক্ষাৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থা, সাৱধানতা আদি সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি গেছৰ ছিলিণ্ডাৰ অথবা বিদ্যুৎ পৰিবাহী তাঁৰত অগ্নি সংযোগ হ'লে গ্ৰহণ কৰিবলগীয়া সুৰক্ষা মূলক ব্যৱস্থাসমূহো প্ৰত্যক্ষভাৱে দেখুওৱা হয়।

০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ জেঙণিকটীয়াৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা অবৈধভাৱে গৰু সৰবৰাহ কৰা এখন বাহন জব্দ কৰি ১৫টা গৰু উদ্ধাৰ কৰা হয়। ৰাজমাই পশু বজাৰৰ পৰা ক্ৰয় কৰা গৰুকেইটা কাকজানলৈ লৈ যোৱা হৈছিল। উল্লেখযোগ্য যে আহোম সেনা, উজনি অসম থলুৱা মুছলিম কল্যাণ পৰিষদ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ আদি কেইবাটাও সংগঠনে অভিযান চলাই জব্দ কৰা বাহনখন পাছত গৰুসহ আৰক্ষীক চমজাই দিয়ে।

০০০০০

সমাপ্ত